প্ৰ-পত্ৰ -৫(গ)

(Form V-C)

# নিৰ্বাচনৰ জাননী

(Notice of Election)

[বিধি -১৬(১)(ক),(খ),(গ),(ঘ) চাওক]

ডিব্ৰুগড় জিলাৰ জিলা পৰিষদলৈ সদস্য নিৰ্বাচন।

১৯৯৫ চন অসম পঞ্চায়ত (সংবিধান) বিধি (সংশোধিত) ৰ ১৬ নং বিধিৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগেৰে ইয়াৰ দ্বাৰা জাননী জাৰি কৰা হৈছে যে-

১) (ক) ডিব্ৰুগড় জিলাৰ জিলা পৰিষদৰ সমষ্টিসমূহৰ বিপৰীতে জিলা পৰিষদৰ ২২ জন সদস্য নিৰ্বাচিত কৰাৰ বাবে নিৰ্বাচন কৰা হ'ব।

(খ) প্ৰতিখন জিলা পৰিষদ সমষ্টিৰপৰা এজনকৈ সদস্য নিৰ্বাচিত কৰা হ'ব, অনুসূচিত জাতি/জনজাতি/মহিলাৰ বাবে বিধিগতভাৱে সংৰক্ষিত সমষ্টি (গাওঁ পঞ্চায়ত) সমূহ তলত উল্লেখ কৰা হ'ল :

| অ-সংৰক্ষিত জিলা পৰিষদ সমষ্টিৰ নং আৰু নাম | অনুসূচিত জাতিৰ বাবে সংৰক্ষিত জিলা পৰিষদৰ নং আৰু নাম | অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত জিলা পৰিষদৰ নং আৰু নাম | অনুসূচিত জাতি মহিলাৰ বাবে সংৰক্ষিত জিলা পৰিষদৰ নং আৰু নাম | অনুসূচিত জনজাতি মহিলাৰ বাবে সংৰক্ষিত জিলা পৰিষদৰ নং আৰু নাম | মহিলাৰ বাবে সংৰক্ষিত জিলা পৰিষদৰ নং আৰু নাম |
|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
| ০৪ নং বকুল জিলা পৰিষদ | ১০ নং ভাদৈ জিলা পৰিষদ | ১৭ নং লেঙেৰী জিলা পৰিষদ | নাই | ২১ নং লকুৱা জিলা পৰিষদ | ০৫ নং দিনজয় জিলা পৰিষদ |
| ০৬ নং ডিকম জিলা পৰিষদ | | | | | ০২ নং মদাৰখাট জিলা পৰিষদ |
| ০৩ নং ডিব্ৰুগড় পূৱ জিলা পৰিষদ | | | | | ২২ নং ডিব্ৰুগড় পশ্চিম জিলা পৰিষদ |
| ০৭ নং টেঙাখাট জিলা পৰিষদ | | | | | ০৯ নং দুলীয়াজান জিলা পৰিষদ |
| ০১ নং বৰবৰুৱা জিলা পৰিষদ | | | | | ০৮ নং হাতীবন্ধা জিলা পৰিষদ |
| ২০ নং চেপন জিলা পৰিষদ | | | | | ১৯ নং নাহৰণি জিলা পৰিষদ |
| ১৪ নং জয়পুৰ জিলা পৰিষদ | | | | | ১৩ নং নামৰূপ জিলা পৰিষদ |
| ১২ নং নাহৰকটীয়া জিলা পৰিষদ | | | | | ১১ নং চাচনী জিলা পৰিষদ |
| ১৮ নং মৰাণ জিলা পৰিষদ | | | | | ১৬ নং ৰাজগড় জিলা পৰিষদ |
| | | | | | ১৫ নং টিংখং জিলা পৰিষদ |

২) ডিব্ৰুগড় পূৱ,ডিব্ৰুগড় পশ্চিম, বকুল, দিনজয়, ডিকম আৰু মদাৰখাট জিলা পৰিষদ সমূহৰ বাবে জিলা আয়ুক্ত আৰু আন আন জিলা পৰিষদ সমূহৰ বাবে সংশ্লিষ্ট সম জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰসমূহ পোৱা যাব।

৩) ডিব্ৰুগড় পূৱ,ডিব্ৰুগড় পশ্চিম, বকুল, দিনজয়, ডিকম আৰু মদাৰখাট জিলা পৰিষদ সমূহৰ বাবে জিলা আয়ুক্ত আৰু আন আন জিলা পৰিষদ সমূহৰ বাবে সংশ্লিষ্ট সম জিলা আয়ুক্তৰ কাৰ্যালয়ত ০৩/০৪/২০২৫ তাৰিখৰ পৰা ১১/০৪/২০২৫ তাৰিখলৈ যিকোনো দিনত (চৰকাৰী বন্ধৰ বাদে) পুৱা ১১.০০ বজাৰপৰা বিয়লি ৩.০০ বজাৰ ভিতৰত প্ৰাৰ্থীয়ে নিজে বা তেওঁৰ প্ৰস্তাৱকে প্ৰাধিকৃত বিষয়াৰ হাতত মনোনয়ন পত্ৰসমূহ জমা দিব পাৰিব।

৪) মনোনয়ন পত্ৰসমূহ ১২/০৪/২০২৫ তাৰিখে পুৱা ১০.৩০ বজাত ডিব্ৰুগড় পূৱ,ডিব্ৰুগড় পশ্চিম, বকুল, দিনজয়, ডিকম আৰু মদাৰখাট জিলা পৰিষদ সমূহৰ বাবে জিলা আয়ুক্ত আৰু আন আন জিলা পৰিষদৰ সমূহ সংশ্লিষ্ট সম জিলা আয়ুক্তৰ কাৰ্যালয়ত পৰীক্ষা কৰা হ'ব।

৫) ডিব্ৰুগড় পূৱ,ডিব্ৰুগড় পশ্চিম, বকুল, দিনজয়, ডিকম আৰু মদাৰখাট জিলা পৰিষদ সমূহৰ বাবে জিলা আয়ুক্ত আৰু আন আন জিলা পৰিষদ সমূহৰ বাবে সংশ্লিষ্ট সম জিলা আয়ুক্তৰ কাৰ্যালয়ত প্ৰাধিকৃত বিষয়াৰ ওচৰত প্ৰাৰ্থীত্ব প্ৰত্যাহাৰৰ জাননী প্ৰাৰ্থীয়ে নিজে বা প্ৰস্তাৱকে ১৭/০৪/২০২৫ তাৰিখে বিয়লি ৩.০০ বজালৈকে জমা দিব পাৰিব।

৬) নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা হ'লে ০২/০৫/২০২৫ তাৰিখে পুৱা ৭.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজাৰ ভিতৰত ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব।

তাৰিখ : 03/04/2025

জিলা আয়ুক্ত

ডিব্ৰুগড় জিলা